# আবু বক্ৰ (ৰাঃ)

হাতীৰ বছৰৰ দ্বিতীয় বা তৃতীয় বৰ্ষত আবু বক্ৰ (ৰাঃ) য়ে জন্ম গ্ৰহণ কৰিছিল। তেওঁ নবী (ছঃ) তকৈ দুবছৰ সৰু আছিল। অন্ধকাৰ যুগত তেওঁ বৰ জনপ্ৰিয় আছিল কাৰণ তেওঁ এজন নিষ্ঠাবান, সৎ, সু-চৰিত্ৰবান আৰু সু-সংস্কৃত ব্যক্তি আছিল। তেওঁ নিজৰ জীৱন কালত কোনো দিনাই মদ খোৱা নাছিল আৰু কোনো দিনাই মুৰ্তিক ছিজ্দাহ কৰা নাছিল।

নবী (ছঃ) এ মানুহক ইছলাম ধৰ্মলৈ আহ্বান কৰিছিল তেতিয়া বহুতে দদুৰ মদুৰ অৱস্থাত পৰিছিল আবু বক্ৰৰ বাহিৰে, তেওঁ দদুৰ মদুৰ নকৰাকৈয়ে ইছলাম গ্ৰহণ কৰিছিল। পুৰুষৰ ভিতৰত তেওঁ আছিল প্ৰথম জন ইছলাম গ্ৰহণ ব্যক্তি, মহিলাৰ ভিতৰত খদিজা (ৰাঃ) আছিল প্ৰথম জনী ইছলাম গ্ৰহণ কৰা ব্যক্তি আনহাতে ল'ৰাৰ ভিতৰত প্ৰথমজন ইছলাম গ্ৰহণ কৰা ব্যক্তি আছিল আবু তালিবৰ ল'ৰা আলী (ৰাঃ)।

নবী (ছঃ) এ আবু বক্ৰক 'ছিদ্দিক' উপাধি প্ৰদান কৰিছিল কাৰণ তেওঁ তেওঁক (নবীক) সত্য বুলি মানিছিল যেতিয়া মক্কাত থকা মছজিদে হাৰামৰ পৰা বৈতুল মকাদ্দাছত থকা মছজিদে আক্সালৈ ৰাতিৰ সময়ত নিজৰ যাত্ৰাৰ ঘটনাৰ কথা তেওঁক জনাইছিল যাৰ বিষয়ে আল্লাহে কৈছেঃ "পবিত্ৰ সেইজন যিজনে নিজৰ দাসক ৰাতিৰ সময়ত মছজিদে হাৰামৰ পৰা মছজিদে আক্সালৈ যাত্ৰা কৰাইছে যাৰ চৰিও ফালে আমি বৰকত দিছো যাতে তাক আমাৰ চিহ্নবোৰ দেখাব পাৰো...."।

আবু বক্ৰ (ৰাঃ) য়ে ইছলামত নিজৰ ধনেৰে জিহাদ কৰিছে গতিকে তেওঁ এনে কিছুমানক কিনিলৈছিল যি সকলক কুৰেইশ্বে দাস বনাই শাস্তি দিছিল আৰু তেওঁলোকক মুক্ত কৰিদিছিল যেনেঃ বিলাল বিন ৰিবাহ একেদৰেই তেওঁ শাৰিৰিক ভাবেও ইছলামত চেষ্টা কৰিছিল কাৰণ তেওঁ ৰছুল (ছঃ)ৰ লগত মদিনালৈ স্থানান্তৰিত হৈছিল আৰু অবিশ্বাসী সকলে তেওঁলোকক হত্যা কৰিবলৈ সকলো ঠাইতে বিচাৰিছিল।

আবু বক্ৰ (ৰাঃ) নবী (ছঃ)ৰ বন্ধু আছিল শান্তিৰ দিনত আৰু যুদ্ধৰ দিনত আৰু যেতিয়া নবী (ছঃ) ৰ মৃত্যু হৈছিল তেতিয়া বহুলোক এনে বিভ্ৰান্ত হৈছিল যে তেওঁলোক বিশ্বাস কৰা নাছিল যে তেওঁৰ মৃত্যু হৈছিল। তেতিয়া আবু বক্ৰ (ৰাঃ) ওলাই আহি তেওঁলোকক কৈছিলঃ "যিজনে মহম্মদৰ উপাসনা কৰিছিল সেইজনে মনত ৰখা উচিত যে তেওঁৰ মৃত্যু হৈছে আৰু যিজনে আল্লাহৰ উপাসনা কৰিছিল সেইজনে জানি লোৱা যে আল্লাহ জীৱিত তেওঁ নমৰে"।

ছাহাবি সকলে ৰছুল (ছঃ)ৰ পিছত আবু বক্ৰক খলিফা বাচনি কৰি লৈছিল। গতিকে তেওঁ এজন ন্যায় প্ৰাণ খলিফা প্ৰমাণিত হৈছিল। ইছলামৰ পৰা আঁতৰি যোৱা সকলক ইছলামলৈ ঘুৰাই আনিছিল। তেওঁ কোৰান জমা কৰিছিল। আৰু তেওঁ নিজৰ খলিফা কালত শ্বাম আৰু ইৰাক জয়ী কৰিবলৈ আৰম্ভ কৰিছিল।